# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-05-2026 **Time :** 1100 Hrs.

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ছিকিম ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে ছিকিমৰ অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্য, বৰ্ণাঢ্য সংস্কৃতি আৰু পৰিৱেশ সংৰক্ষণৰ দিশত দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাই ৰাজ্যখনক দেশৰ বহনক্ষম উন্নয়নৰ আদৰ্শ হিচাপে গঢ়ি তুলিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ছিকিমবাসীৰ শান্তি আৰু সমৃদ্ধি কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জনাই কয়, যে দেশৰ বিকাশত ছিকিমৰ যথেষ্ট অৰিহণা আছে। ৰাজ্যখনৰ প্ৰতিষ্ঠাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবছৰৰ উদযাপন বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে বিশ্বৰ প্ৰথমখন সম্পূৰ্ণৰূপে জৈৱিক কৃষি সামগ্ৰী উৎপাদিত ৰাজ্যৰ পৰা আৰম্ভ কৰি পৰ্বত পৰ্যটনক নতুন সংজ্ঞা প্ৰদান কৰালৈ ছিকিমৰ সাফল্যই সমগ্ৰ দেশকে অনুপ্ৰাণিত কৰিছে।

উল্লেখযোগ্য যে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ দায়িত্বভাৰ গ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে আজি ছিকিমলৈ আহিব। শ্ৰীৰাধাকৃষ্ণণে গেংটকত আয়োজন কৰা ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ছিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। উল্লেখযোগ্য যে, ১৯৭৫ চনৰ এই দিনটোতে ছিকিমে ভাৰতৰ ২২ সংখ্যক ৰাজ্য হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল।

০০০০০০০

বাক্সা জিলাৰ ককিলাবাৰী কেন্দ্ৰীয় কৃষি পামখন পুনৰ কাৰ্যক্ষম কৰি তোলাৰ উদ্দেশ্যে বি টি চিৰ উপ-মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰীৰ নেতৃত্বত কালি এটা সঁজাতি দলে ক্ষেত্ৰ পৰিদৰ্শন কৰে। বি টি চিৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰী, আগষ্টুছ টিগ্গা, বিধায়ক মনেশ্বৰ ব্ৰহ্ম, থানেশ্বৰ বসুমতাৰী আৰু প্ৰাক্তন কাৰ্যবাহী সদস্য ইমানুৱেল মুছাহাৰী থকা সঁজাতি গ্ৰুপটোৱে কৃষি পামখন পৰিদৰ্শন কৰাৰ লগতে স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে। এই কৃষি পাম সন্দৰ্ভত ৰিহণ দৈমাৰীয়ে সাংবাদিকৰ আগত কয়, যে মানাহ বন্যপ্ৰাণী সংৰক্ষণ কৰ্তৃপক্ষই ১৯৭১ চনত ককিলাবাৰী কেন্দ্ৰীয় কৃষিপামৰ সৈতে ৩০ বছৰৰ বাবে এখন চুক্তি স্বাক্ষৰ কৰিছিল। ২০০১ চনত এই চুক্তিৰ ম্যাদ উকলি যোৱাৰ ফলত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কৃষিপামৰ মাটিখিনি ঘূৰাই বিচাৰিছে। এই সন্দৰ্ভত অহা ২৮ মে'ত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক, স্থানীয় বিধায়ক তথা কৃষি বিভাগৰ বিষয়ববীয়াক লৈ এখন বৈঠকৰ আহ্বান কৰা হৈছে বুলি শ্ৰী দৈমাৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কৃষিপামখনত এখন কৃষি মহাবিদ্যালয় গঢ়ি তোলাৰ মনোবাঞ্ছাৰ কথাও সদৰি কৰে।

০০০০০০০

চৰকাৰে পেট্ৰ'লৰ ৰপ্তানিৰ প্ৰতি লিটাৰত ৩ টকাকৈ বিশেষ অতিৰিক্ত আবকাৰী শুল্ক আৰোপ কৰিছে। বিত্ত মন্ত্ৰালয়ে এই সন্দৰ্ভত কালি জাৰি অধিসূচনা অনুসৰি ডিজেলৰ ৰপ্তানিত বিশেষ অতিৰিক্ত আবকাৰী শুল্ক প্ৰতি লিটাৰত ২৩ টকাৰ পৰা ১৬ টকা ৫০ পইচালৈ হ্ৰাস কৰা হৈছে। একেদৰে বিমানৰ টাৰ্বাইন ইন্ধনতো বিশেষ অতিৰিক্ত আবকাৰী শুল্ক প্ৰতি লিটাৰত ৩৩ টকাৰ পৰা ১৬ টকালৈ হ্ৰাস কৰা হৈছে। এই সংশোধিত মূল্য আজিৰে পৰা পৰৱৰ্তী দুসপ্তাহৰ বাবে প্ৰযোজ্য হ'ব।

০০০০০০০

মণিপুৰৰ মুখ্য নিৰ্বাচনী বিষয়া অৰুণ কুমাৰ সিন্‌হাই ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণৰ তৃতীয় পৰ্যায়ৰ সময়সূচী ঘোষণা কৰিছে। এটা প্ৰেছ বিজ্ঞপ্তিত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, যে অহা ২০ৰ পৰা ২৯ মে'লৈ এছ আই আৰৰ বাবে প্ৰশিক্ষণ আৰু ছপাকে ধৰি প্ৰস্তুতিমূলক কামসমূহ কৰা হ'ব। ইয়াৰ পাছত বুথ পৰ্যায়ৰ বিষয়াসকল ৩০ মে'ৰ পৰা ২৮ জুনলৈ ঘৰে ঘৰে যাব। ৫ জুলাইত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব আৰু সেইদিনাৰ পৰা ৪ আগষ্টৰ ভিতৰত জনসাধাৰণে তেওঁলোকৰ দাবী আৰু আপত্তিসমূহ দাখিল কৰিব পাৰিব। ৰাজ্যখনত ৬ ছেপ্তেম্বৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰজ্জাক ভূঞা আৰু অধিবক্তা জ্যোতিস্মিতা শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অৰূপ কুমাৰ শৰ্মাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা লক্ষ্নৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্নৌ চুপাৰ জায়েণ্টছে, চেন্নাই চুপাৰ কিংছক ৭ উইকেটত পৰাস্ত কৰে।

লক্ষ্নৌ ছুপাৰ জায়েণ্টছে খেলখনত জয়লাভ কৰাৰ পাছতো প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ অন্তিম স্থানত আছে। দলটো ইতিমধ্যে প্লে অফ পৰ্যায়ৰ পৰা বাহিৰ পৰা হৈছে। ইয়াৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছ সম্প্ৰতি ষষ্ঠ স্থানত আছে আৰু দলটোৱে শীৰ্ষ ৪ত প্ৰৱেশৰ চেষ্টা চলাই আছে।

০০০০০০০

**সমাপ্ত**